**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 31-08-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

# HEADLINES

::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজিৰে পৰা চীনৰ তিয়ানজিনত হ'বলগীয়া ছাংহাই সহযোগিতা সংস্থাৰ ৰাষ্ট্ৰ প্ৰধানসকলৰ শীৰ্ষ সন্মিলনত ভাগ ল'ব।

২। প্ৰধানমন্ত্ৰীয়ে আজি দিনৰ এঘাৰ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে নিজৰ মনৰ ভাব ব্যক্ত কৰিব।

৩। ভাৰত অচিৰেই বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতিলৈ পৰিৱৰ্তিত হ'ব বুলি ৰিজাৰ্ভ বেংকৰ গভৰ্নৰ সঞ্জয় মালহোত্ৰাই প্ৰকাশ কৰিছে।

৪। বিশেষজ্ঞসকলে চলিত বিত্তীয় বৰ্ষৰ এপ্ৰিলৰ পৰা জুন মাহলৈকে দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ হাৰ সাত দশমিক আঠ শতাংশলৈ বৃদ্ধিৰ প্ৰশংসা কৰিছে।

*আৰু*

৫। ভাৰতে ষোড়শ এছিয় শুটিং চেম্পিয়নশ্বিপত ৫০ টা সোণৰ পদক দখল কৰি ঐতিহাসিক সাফল্য অৰ্জন কৰিছে।

০০০০০

চীনৰ তিয়ানজিনত আজিৰে পৰা ছাংহাই সহযোগিতা সংস্থাৰ ৰাষ্ট্ৰ প্ৰধানসকলৰ ২৫ সংখ্যক শীৰ্ষ সন্মিলন অনুষ্ঠিত হ'ব। এই সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কালি তিয়ানজিনত উপস্থিত হয়। এই দুদিনীয়া সন্মিলনত বিগত ২৫ বছৰত সংস্থাৰ সাফল্যৰ পৰ্যলোচনা কৰা হ'ব আৰু এটা ১০ বছৰীয়া উন্নয়ন আঁচনি প্ৰস্তুত কৰা হ'ব। চীনৰ ৰাষ্ট্ৰপতি চি জিন পিঙে অধ্যক্ষতা কৰিবলগীয়া এই সন্মিলনত ২০ গৰাকীৰো অধিক ৰাষ্ট্ৰ নেতা আৰু আন্তৰ্জাতিক সংস্থাসমূহৰ ১০ গৰাকী নেতাই অংশগ্ৰহণ কৰাৰ আশা আছে।

সন্মিলনখনত সংস্থাৰ সদস্য ৰাষ্ট্ৰসমূহৰ মুৰব্বীসকলৰ উপৰি পৰ্যবেক্ষক ৰাষ্ট্ৰৰ প্ৰতিনিধি আৰু অংশীদাৰ সংস্থাসমূহৰ প্ৰতিনিধি উপস্থিত থাকিব। আন নেতাসকলৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আঞ্চলিক সুৰক্ষা যোগাযোগ, বহনক্ষম বিকাশ আৰু গোলকীয় সহযোগিতাৰ দৰে বিষয়ত মতামত প্ৰকাশ কৰিব।

প্ৰধানমন্ত্ৰী মোদীৰ অংশগ্ৰহণে ভাৰতৰ ভূমিকা সুদৃঢ় কৰিব আৰু ছাংহাই সহযোগিতা সংস্থাৰ সদস্য ৰাষ্ট্ৰসমূহৰ মাজৰ সহযোগিতাত নতুন গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ এঘাৰ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব মন কী বাত অনুষ্ঠানৰ ১২৫ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেবছাইট আৰু newsonair মোবাইল এপত শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠানৰ লাইভ ষ্ট্ৰিমিং কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব। নিশা ৮ বজাত এই অনুষ্ঠানৰ আঞ্চলিক ভাষান্তৰ পুনৰ প্ৰচাৰ কৰা হ'ব।

ooooo

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি গুজৰাটৰ আহমেদাবাদত কেইবাটাও নগৰীয়া স্বাস্থ্য কেন্দ্ৰ মুকলি কৰিব। দুদিনীয়া ভ্ৰমণসূচীৰে কালি বিয়লি গুজৰাটত উপস্থিত হোৱা কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে লগতে গছপুলি ৰোপণ কাৰ্যসূচীতো ভাগ ল'ব।

ooooo

প্ৰতিৰক্ষাৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা কেৱল বিকল্প নহয়। বৰং ই হৈছে অস্তিত্ব আৰু প্ৰগতিৰ চৰ্ত। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে নতুন দিল্লীত কালি প্ৰতিৰক্ষা সন্মিলনত অংশগ্ৰহণ কৰি এইদৰে প্ৰকাশ কৰে। অপাৰেশ্বন সিন্দূৰৰ সফলতাৰ বিষয়ে আলোকপাত কৰি তেওঁ কয় যে এই অভিযান দেশৰ ক্ৰমবৰ্ধমান প্ৰতিৰক্ষা ক্ষমতাৰ উজ্বল নিদৰ্শন। তেওঁ লগতে কয় যে সশস্ত্ৰ বাহিনীয়ে পাকিস্তানৰ ভূমিত থলুৱা সজুলী ব্যৱহাৰেৰে কৰা নিখুত আক্ৰমণে প্ৰমাণ কৰিলে যে দূৰদৰ্শিতা, দীৰ্ঘদিনীয়া প্ৰস্তুতি আৰু সমন্বয় অবিহনে কোনো অভিযান সফল হ'ব নোৱাৰে। এয়া কিছুদিনৰ বাবে যুদ্ধৰ কাহিনী যেন লাগিব পাৰে। কিন্তু এয়া হৈছে পাকিস্তানৰ ওপৰত ভাৰতৰ জয়ৰ কাহিনী আৰু ইয়াত দীৰ্ঘদিনীয়া কৌশলগত প্ৰস্তুতি আৰু প্ৰতিৰক্ষা প্ৰস্তুতিৰ ভূমিকা নিহিত হৈ আছে। সুদৰ্শন চক্ৰ অভিযান সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয়, যে এই অভিযানৰ লক্ষ্য হৈছে দেশৰ জটিল স্থানসমূহত প্ৰতিৰক্ষা আৰু প্ৰযুক্তিগত সুৰক্ষা প্ৰদান কৰে।

ooooo

ভাৰত অচিৰেই বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতিলৈ পৰিৱৰ্তিত হ'ব। ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ সঞ্জয় মালহোত্ৰাই কালি এই মত প্ৰকাশ কৰি কয়, যে ভাৰতৰ এই অৰ্থনৈতিক বৃদ্ধিৰ যাত্ৰাত প্ৰধানমন্ত্ৰীৰ 'জন ধন যোজনা'ই বিশেষ অৰিহনা আগবঢ়াইছে।চলিত বিত্তীয় বৰ্ষৰ এপ্ৰিল-জুন ত্ৰিমাসিকত ভাৰতৰ জি ডি পি ৭ দশমিক ৮ শতাংশলৈ বৃদ্ধি হোৱাৰ সময়তে গৱৰ্ণৰ সঞ্জয় মালহোত্ৰাই এনে তাৎপৰ্য্যপূৰ্ণ মন্তব্য আগবঢ়াইছে। উল্লেখযোগ্য যে এই বৃদ্ধি হৈছে আমেৰিকাই ভাৰতৰ সামগ্ৰীৰ ওপৰত উচ্চ হাৰৰ শুল্ক আৰোপ কৰাৰ পূৰ্বৰ পাঁচটা ত্ৰিমাসিকৰ ভিতৰত আটাইতকৈ বেছি। ইন্দোৰৰ ৰংৱাচা গাঁৱত অনুষ্ঠিত চৰকাৰী বেংকৰ বিত্তীয় অন্তৰ্ভূক্তি অনুষ্ঠান ' সন্তৃপ্তি শিৱিৰ'ত অংশগ্ৰহণ কৰি গৱৰ্ণৰ শ্ৰী মালহোত্ৰাই কয় যে কেন্দ্ৰীয় চৰকাৰ আৰু আৰ বি আয়ে দেশক

অৰ্থনৈতিক বিকাশৰ পথত আগবঢ়াই নিবলৈ অন্যান্য বেংকসমূহৰ সহযোগত এঘাৰ বছৰ পূৰ্বে জন ধন যোজনা মুকলি কৰিছিল।
গভৰ্ণৰ শ্ৰী মালহোত্ৰাই কয়, যে দেশৰ অৰ্থনৈতিক বিকাশৰ যাত্ৰাত সকলো শ্ৰেণীৰ লোকৰ অংশগ্ৰহণ নিশ্চিত কৰাৰ অৰ্থে এই আঁচনিৰ অধীনত ৫৫ কোটি একাউণ্ট খোলা হৈছে। ইয়াৰ জৰিয়তে গ্ৰাহকসকললৈ চেভিংছ, পেঞ্চন, বীমা, ক্ৰেডিট আৰু অন্যান্য সেৱা আগবঢ়োৱা হৈছে।

ooooo

বিশেষজ্ঞসকলে চলিত বিত্তীয় বৰ্ষৰ এপ্ৰিলৰ পৰা জুন মাহলৈকে দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ হাৰ সাত দশমিক আঠ শতাংশলৈ বৃদ্ধিৰ প্ৰশংসা কৰিছে। বিশেষজ্ঞসকলে মুঠ ঘৰুৱা উৎপাদনৰ এই হাৰ আশা কৰাতকৈ অধিক বুলি অভিহিত কৰিছে। অৰ্থনীতিবিদ প্ৰফেছৰ য়শবীৰ ত্যাগীয়ে কৈছে যে, ৭ দশমিক ৮ শতাংশৰ বিকাশ হাৰ আগতীয়া পূৰ্বানুমানতকৈ যথেষ্ট বেছি আৰু এয়া সঁচাকৈ দেশৰ অৰ্থব্যৱস্থাৰ বাবে ইতিবাচক সংকেত।

ৰাজকোটৰ সৌৰাষ্ট্ৰ বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহযোগী অধ্যাপক ড০ সুৰেশ জি পৰডৱাই মৌচুমী বতাহৰ প্ৰভাৱত অধিক বৰষুণ হোৱা আৰু কৃষিজাত সামগ্ৰীৰ উৎপাদন বৃদ্ধি পোৱাৰ বাবে মুঠ ঘৰুৱা উৎপাদনৰ হাৰ উৰ্ধমুখী হোৱা বুলি মন্তব্য কৰিছে। ক্ৰিছিল নামৰ সংহত গৱেষণা প্ৰতিষ্ঠানটোৰ শেহতীয়া প্ৰতিবেদন অনুসৰি আমেৰিকা যুক্তৰাষ্ট্ৰই ভাৰতৰ পৰা আমদানী কৰা সামগ্ৰীৰ ক্ষেত্ৰত প্ৰতিশুল্ক বৃদ্ধি কৰাৰ ফলত উদ্ভৱ হোৱা নিম্নমুখী আশংকা  সত্বেও চলিত বিত্তীয় বৰ্ষত ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন ৬ দশমিক ৫ শতাংশ হ'ব বুলি অনুমান কৰা হৈছে। উল্লেখযোগ্য যে, চলিত বিত্তীয় বৰ্ষৰ প্ৰথম তিনিমাহত ভাৰতৰ বাস্তৱিক মুঠ ঘৰুৱা উৎপাদন যোৱা বছৰৰ শেষৰ তিনিমাহৰ সাত দশমিক চাৰি শতাংশ পৰা সাত দশমিক আঠ শতাংশলৈ বৃদ্ধি পাইছে।

ooooo

দিল্লী-এন চি আৰ বায়ুৰ গুণগত মান ব্যৱস্থাপনা আয়োগে  কালি গাজিয়াবাদত বহনক্ষম পথ আৰ্হি আৰু ধূলি নিয়ন্ত্ৰণ অনুশীলন সন্দৰ্ভত আয়োজন কৰা দুদিনীয়া কৰ্মশালাৰ সামৰণি পৰে।  এয়া হৈছে দিল্লী, গুৰুগ্ৰাম, ফৰিদাবাদ, চ'নিপট, নয়দা, বৃহত্তৰ নয়দা,গাজিয়াবাদ,ভিৱাৰী আৰু নিমৰাণাকে ধৰি ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰৰ অন্তৰ্ভূক্ত নখন চহৰৰ বাবে পৰিকল্পনা কৰা কৰ্মশালাৰ প্ৰথমটো শৃংখলা। এই কৰ্মশালাত চৰকাৰী বিষয়া, বিধিবলৱৎকাৰী সংস্থা, অভিযন্তা আৰু অন্যান্য সংশ্লিষ্ট অংশীদাৰীসকলে কাৰীকৰী সত্ৰ, বিষয়বস্তুৰ ৰূপৰেখা  অংকন আৰু ব্যৱহাৰিক অনুশীলনত অংশগ্ৰহণ কৰে। পৰিৱেশ , বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে কয়, যে অংশীদাৰীসকলকো বহনক্ষম পথ আৰ্হি, ধূলি নিয়ন্ত্ৰণ ব্যৱস্থা আৰু প্ৰকল্প প্ৰস্তুত আদি সন্দৰ্ভত প্ৰশিক্ষণ দিয়া হয়।

ooooo

কাজাখস্তানৰ ছিমকণ্ডত অনুষ্ঠিত যোড়শ এছিয় শ্বুটিং চেম্পিয়নশ্বিপত ভাৰতে ৫০ টা সোণৰ পদকেৰে প্ৰতিযোগিতাৰ ইতিহাসত প্ৰথমবাৰৰ বাবে শীৰ্ষ স্থান দখল কৰি ঐতিহাসিক সাফল্য অৰ্জন কৰিছে। ভাৰতে প্ৰতিযোগিতাত ২৬ টা ৰূপ আৰু ২৩ টা ব্ৰঞ্জসহ মুঠ ৯৯ টা পদক লাভ কৰিছে। কাজাখস্তান পদক তালিকাৰ দ্বিতীয় আৰু চীন তৃতীয় স্থানত আছে। ভাৰতৰ অংকুৰ মিট্টলে কালি প্ৰতিযোগিতাৰ অন্তিম দিনত পুৰুষৰ ডাবল ট্ৰেপ শিতানত বিশ্ব অভিলেখ গঢ়ি সোণৰ পদক হস্তগত কৰে। একেদৰে এলাৱেনিল ৱালাৰিৱনে মহিলাৰ এয়াৰ ৰাইফলত এছিয় অভিলেখেৰে সোণৰ পদক অৰ্জন কৰে। খেলুৱৈগৰাকীয়ে অৰ্জুন বাবুটাৰ সৈতে মিক্সড দলীয় শিতানতো সোণৰ পদক লাভ কৰে। নিৰু ধাণ্ডাই মহিলাৰ ট্ৰেপ শিতানত দেশৰ বাবে এছিয় চেম্পিয়নশ্বিপত প্ৰথমটো সোণৰ পদক হস্তগত কৰে। ছিফ্ট ক'ৰ শৰ্মাই মহিলাৰ ৫০ মিটাৰ ৰাইফলৰ থ্ৰি পজিছন শিতানত প্ৰথমটো এছিয় শিতাপ দখল কৰে। ইয়াৰ বিপৰীতে ঐশ্বৰ্য প্ৰতাপ সিং টোমৰে ৫০ মিটাৰ ৰাইফলৰ থ্ৰী পজিছন শিতানত খিতাপ অক্ষুণ্ণ ৰাখিবলৈ সমৰ্থ হয়। মনু ভাকৰে প্ৰতিযোগিতাত তিনিটা ব্ৰঞ্জৰ পদক লাভ কৰে। ভাৰতৰ ছিনিয়ৰ শ্বুটিং দলৰ ৩৫ গৰাকী সদস্যই এছিয় প্ৰতিযোগিতাৰ ১৫ টা শিতানত প্ৰতিদ্বন্দ্বিতা কৰে।

০০০০০

ইউ এছ অ'পেন টেনিছ প্ৰতিযোগিতাত মহিলাৰ ছিংগলছত কোকো গ'ফ আৰু নাঅ'মি অ'ছাকাই চতুৰ্থ ৰাউণ্ডত প্ৰৱেশ কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ কোকো গ'ফে কালি তৃতীয় ৰাউণ্ডৰ এখন খেলত প'লেণ্ডৰ মেগ্‌ডেলেনা ফ্ৰেছক ৬-৩, ৬-১ পোনপটীয়া ছেটত পৰাভূত কৰে। গ'ফ পৰৱৰ্তী ৰাউণ্ডত জাপানৰ নাঅ'মি অ'ছাকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। পূৰ্বৰ চেম্পিয়ন অ'ছাকাই কালি অষ্ট্ৰেলিয়াৰ পঞ্চদশ বাছনিপ্ৰাপ্ত ডাৰিয়া কছাটকিনাক ৬-০, ৪-৬, ৬-৩ ছেটত পৰাভূত কৰি বিগত পাঁচ বছৰত প্ৰথমবাৰৰ বাবে চতুৰ্থ ৰাউণ্ডত স্থান নিশ্চিত কৰে।

০০০০০

সমাপ্ত